**REGIONAL NEWS UNIT**

ALL INDIA RADIO, GUWAHATI

0000000000

Date : 30-01-2026 **Time :** 1100 Hrs.

0000000000

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি ডিব্ৰুগড়ত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। ৰাজ্যৰ দ্বিতীয় ৰাজধানী হিচাপে ডিব্ৰুগড়ৰ আন্তঃগাঁথনি উন্নয়নৰ লক্ষ্যৰে কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে আজি অসম বিধানসভাৰ দ্বিতীয়টো চৌহদৰ আধাৰশিলা স্থাপন কৰিব। ২৮৪ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই চৌহদৰ ভিতৰত বিধান সভা ভৱন, বিধায়কৰ আবাসগৃহ, প্ৰেক্ষাগৃহ আৰু বেৰেক থাকিব। তেওঁ লগতে জিলাখনৰ ক্ৰীড়া খণ্ডত নতুন যুগৰ সূচনাৰে খনিকৰত বহুমুখী ক্ৰীড়া প্ৰকল্পৰ প্ৰথম পৰ্যায়ৰ উদ্বোধন কৰাৰ উপৰি দ্বিতীয় পৰ্যায়ৰ কামৰ আধাৰশিলা স্থাপন কৰিব। মুঠ ৪৪৭ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই বহুমুখী ক্ৰীড়া প্ৰকল্পৰ প্ৰথম পৰ্যায়ত ২৩৮ কোটি টকা ব্যয় সাপেক্ষে ইনড'ৰ ষ্টেডিয়াম, ফুটবল খেলপথাৰ, দুখন লন টেনিছ ক'ৰ্ট, দুখন ভলীবল ক'ৰ্ট, এখন বাস্কেটবল ক'ৰ্ট, ছুইমিং পুল, ল'ৰা-ছোৱালীৰ আবাস আদি নিৰ্মাণ কৰা হৈছে।

শ্ৰীশ্বাহে এই অনুষ্ঠানতে উত্তৰ-পূৰ্বাঞ্চলত বন্যপ্ৰাণী সংৰক্ষণৰ অভিলাষী পদক্ষেপ হিচাপে ডিব্ৰুগড়ৰ দিনজানত বন্যপ্ৰাণী স্বাস্থ্য আৰু গৱেষণা প্ৰতিষ্ঠানৰ আধাৰশিলা স্থাপন কৰিব। ২৯২ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই প্ৰতিষ্ঠানত বন্যপ্ৰাণীৰ স্বাস্থ্য নিৰীক্ষণ, বিভিন্ন প্ৰকাৰৰ ৰোগ নিৰ্ণয়, উন্নত পৰীক্ষাগাৰৰ সুবিধা থকাৰ লগতে বন্যপ্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত কাম কৰা পেচাদাৰী লোকসকলক প্ৰশিক্ষণৰো ব্যৱস্থা থাকিব। তদুপৰি কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে ৰাষ্ট্ৰীয় দুৰ্যোগ প্ৰশমন পুঁজিৰ সহায়ত নিৰ্মাণ কৰা অসমৰ জলাশয়সমূহৰ পুনৰ উদ্ধাৰ আৰু পুনৰুজ্জীৱিতকৰণ প্ৰকল্প মুকলি কৰিব। ৬৯২ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এই প্ৰকল্পৰ জৰিয়তে ৰাজ্যৰ ৯খন জিলাত বিজ্ঞানসন্মতভাৱে বাচনি কৰা ১৫ টা জলাশয়ৰ পুনৰুদ্ধাৰ আৰু পুনৰুজ্জীৱিতকৰণৰ ব্যৱস্থা কৰাৰ উপৰি নগাৰাঞ্চলত বানপানীৰ সমস্যা ৰোধ, জলাশয়সমূহৰ জলধাৰণ ক্ষমতা বৃদ্ধি আৰু সামগ্ৰীক বান ব্যৱস্থাপনা শক্তিশালী কৰা হ'ব।

শ্ৰী শ্বাহে আজি বিয়লি ধেমাজিৰ কাৰেংচাপৰিত অনুষ্ঠিত মিচিং যুৱ মহোৎসৱৰ সামৰণি অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। সন্ধিয়াৰ ভাগত তেওঁ গুৱাহাটীস্থিত ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয়ত ৰাজনৈতিক আলোচনাত অংশ ল'ব।

০০০০০০০

সমগ্ৰ দেশে আজি জাতিৰ পিতা মহাত্মা গান্ধীৰ ৭৮ সংখ্যক মৃত্যু বাৰ্ষিকী তথা শ্বহীদ দিৱস উপলক্ষে শ্ৰদ্ধা নিবেদন কৰিছে। এই উপলক্ষে আজি নতুন দিল্লীৰ ৰাজঘাটৰ গান্ধী সমাধিত সৰ্বধৰ্ম প্ৰাৰ্থনাৰ আয়োজন কৰা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মৃত্যু বাৰ্ষিকীত জাতিৰ পিতালৈ শ্ৰদ্ধা নিবেদন কৰি কয়, যে মহাত্মা গান্ধীয়ে স্বদেশী সামগ্ৰীৰ ওপৰত সদায় বিশেষ গুৰুত্ব আৰোপ কৰিছিল, যি হৈছে উন্নত আৰু আত্ম-নিৰ্ভৰশীল ভাৰতৰ মূল স্তম্ভ। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অহিংস আন্দোলনৰ কালজয়ী নেতৃত্ব প্ৰদান কৰা মহামানৱ মহাত্মা গান্ধী

আৰু স্বাধীনতা আন্দোলনৰ প্ৰতিগৰাকী শ্বহীদলৈ সশ্ৰদ্ধ প্ৰণিপাত জনায়। জাতিৰ পিতাৰ প্ৰতি শ্ৰদ্ধা জনাই দেশজুৰি আজি দিনৰ ১১ বজাত দুই মিনিটৰ বাবে মৌনতা অৱলম্বন কৰা হয়।

০০০০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত গ্ৰেপ্তাৰ হোৱা তিনিগৰাকী অভিযুক্ত অমৃতপ্ৰভা মহন্ত, নন্দেশ্বৰ বৰা আৰু পৰেশ বৈশ্যৰ জামিন আবেদন সন্দৰ্ভত আজি কামৰূপ মহানগৰ জিলা আৰু চেছন ন্যায়াধীশৰ আদালতে ৰায় প্ৰদান কৰিব। যোৱা ২২ জানুৱাৰীত এই তিনিওজন অভিযুক্তৰ জামিন আবেদন সন্দৰ্ভত আদালতত শুনানি অনুষ্ঠিত হৈছিল। শুনানিৰ সময়ত জিয়াউল কামাৰ নেতৃত্বাধীন লোক অধিবক্তাৰ দলে অভিযুক্ত ৩ জনৰ জামিনৰ বিৰোধিতা কৰি আবেদন দাখিল কৰিছিল। একেদৰে জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গৰ হৈ ওকালতি কৰা অধিবক্তাগৰাকীয়েও অভিযুক্ত ৩ জনৰ জামিনৰ বিৰোধিতাৰে আদালতত আবেদন দাখিল কৰিছিল। ন্যায়ালয়ে দুয়োপক্ষৰ যুক্তি তৰ্ক শুনাৰ পাছত অভিযুক্ত ৩ জনৰ জামিন আবেদন সন্দৰ্ভত ৰায় প্ৰদানৰ বাবে আজিৰ দিনটো ধাৰ্য কৰে। উল্লেখযোগ্য যে, যোৱাটো শুনানিত আদালতে অভিযুক্ত শ্যামকানু মহন্ত আৰু সন্দীপন গাৰ্গৰ জামিন আবেদন দুখন প্ৰত্যাহাৰৰ বাবে অনুমতি প্ৰদান কৰে।

০০০০০০০

অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অধীনত ডিব্ৰুগড়ত কালিৰেপৰা চাৰিদিনীয়া ৰাজ্যিকভিত্তিত উন্নত জৈৱিক কৃষি বিষয়ক প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হৈছে। এই প্ৰশিক্ষণ শিবিৰত গ্ৰামীণ জীৱিকা অভিযানৰ ডিব্ৰুগড়, তিনিচুকীয়া, চৰাইদেউ আৰু শোণিতপুৰ জিলাৰ খণ্ড প্ৰকল্প বিষয়া, খণ্ড সমন্বয়কৰ লগতে আটাইকেইখন জিলাৰ কৃষি সখীসকলে অংশগ্ৰহণ কৰিছে। এই শিবিৰত প্ৰশিক্ষণপ্ৰাপ্ত প্ৰতিনিধিসকলৰ তত্বাৱধানত পৰৱৰ্তী সময়ত বিভিন্ন অঞ্চলত জৈৱিক কৃষি ক্ষেত্ৰ গঢ়ি তোলাৰ লগতে মহিলা কৃষকক সৱলীকৰণৰ দিশত কাম কৰা হ'ব।

০০০০০০০

কাইলৈ নিশা ৮ বাজি ২ মিনিটৰ আকাশবাণী গুৱাহাটীৰ 'দৃষ্টিপাত' অনুষ্ঠানত পদপথত আশ্ৰিত শিশুৰ সুৰক্ষা আৰু ভৱিষ্যত শীৰ্ষক এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আলোচনাত সক্ৰিয় শিশু অধিকাৰ কৰ্মী তথা সামাজিক বিশ্লেষক জিতু দত্ত আৰু শিশু সুৰক্ষাৰ বাবে কাম কৰি অহা সংস্থা কেয়াৰ ইউ-৩৬৫ ৰ মুৰব্বী ভৃগু বৰঠাকুৰে অংশগ্ৰহণ কৰিব। অনুষ্ঠানৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে। অনুষ্ঠানটোৰ প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০০

**সমাপ্ত**